# ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ

9/09/2025

## ■ যোৰহাট মহাবিদ্যালয়ত

সমগ্ৰ বিশ্বৰ লগতে যোৰহাট মহাবিদ্যালয়েও আজি বিশ্ববিশ্ৰুত শিল্পী ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ শততম জন্মদিনটো বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰে। যোৰহাট মহাবিদ্যালয়ৰ 'অসমীয়া বিভাগ' আৰু 'আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ' উদ্যোগত আৰু এনএছএছ ডান্স ক্লাব, মিউজিক ক্লাব আৰু লিটাৰেৰী ক্লাবৰ সহযোগত অনুষ্ঠিত জন্মদিৱসটি এগছি বন্তি প্ৰজ্জ্বলনেৰে আৰম্ভ কৰা হয়। বন্তি প্ৰজ্বলন কৰে উপাধ্যক্ষ উৎপল দত্ত আৰু বিশিষ্ট চিকিৎসক ডাঃ প্ৰদীপ দত্তই। অনুষ্ঠানত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে আদৰণী গীত পৰিৱেশন কৰে। ইয়াৰ পাছতে আদৰণী ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে। আদৰণী ভাষণত তেওঁ মহান শিল্পী ড° ভূপেন হাজৰিকাৰ অভ্ৰভেদী প্ৰতিভা আৰু তেওঁৰ বহুমূলীয়া অৱদানক শ্ৰদ্ধাৰে সুঁৱৰি শিল্পীগৰাকীৰ অতি নিপুণ শব্দ উচ্চাৰণ, গভীৰ অৰ্থব্যঞ্জক গীত আৰু সুৰৰ সৃষ্টি অতুলনীয় বুলি বুলি কয়। আদৰণী ভাষণৰ পাছতে অধ্যাপিকা ড° মৌচুমী মহন্তই এটি নৃত্য পৰিৱেশন কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ দলে "এটা গান শেষ হ'ল" শীৰ্ষক বিখ্যাত কবিতাটো আবৃত্তি কৰে। ইয়াৰ পাছতে অনুষ্ঠানৰ মুখ্য অতিথি তথা দেৱীচৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা নিবেদিতা চাংকাকতিয়ে 'ড° ভূপেন হাজৰিকাৰ জীৱন-দৰ্শন' শীৰ্ষক ভাষণ দিয়ে। ইয়াৰ পাছত লাকী কলিতাই নৃত্য পৰিৱেশন কৰে, কবিতা আবৃত্তি কৰে সাধনা বৰাই। ইয়াৰ পাছতে অধ্যাপক ভাগ্যশীষ ভৰালী, ছাত্ৰ-ছাত্ৰীৰ হৈ অনুষ্কা বৰুৱা, স্নেহা ভাৰদ্বাজ, বিনোদ শইকীয়া আৰু বিভাষ বৰুৱাই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে। অতিথি শিল্পী ৰূপে প্ৰাক্তন ছাত্ৰ তথা পূৰ্বৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়ক অনুপম ভূঞায়ে অনুষ্ঠানত গীত পৰিৱেশন কৰে। অধ্যাপক ড° জ্যোতিৰ্ময় বৰদলৈয়ে আঁত ধৰা ড° ভূপেন হাজৰিকাৰ শতবৰ্ষীয় জন্মদিন উদযাপনৰ এই অনুষ্ঠানটি অসমৰ জাতীয় সংগীতেৰে সামৰণি পৰে।